নং ঃ ৪৫২/২০২০

# গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ শেহতীয়া ক'ভিড পৰিস্থিতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীক অৱগত কৰিলে শেহতীয়া সংক্ৰমণৰ সবিশেষ

## জনসাধাৰণৰ স্বাস্থ্য সুৰক্ষিত কৰাৰ স্বাৰ্থত অতি শীঘ্ৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ স্বাস্থ্য বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৫ জুন ঃ** গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ শেহতীয়া ক'ভিড-১৯ পৰিস্থিতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰী সভাকক্ষত স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অনুষ্ঠিত এক বৈঠকত এই সমগ্ৰ পৰিস্থিতিৰ বিতংভাৱে পৰ্যালোচনা কৰা হয়।

বৈঠকত স্বাস্থ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীক গুৱাহাটী মহানগৰীৰ লগতে সমগ্ৰ ৰাজ্যখনৰ ক'ভিড-১৯ সংক্ৰমণৰ সবিশেষ অৱগত কৰে। বৈঠকত স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে মহানগৰীৰ কনটেইনমেণ্ট জ'ন আৰু শেহতীয়াকৈ ১১ টা ৱাৰ্ডত সম্পূৰ্ণ লক ডাউন ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত সেই অঞ্চলত অৱলম্বন কৰা বিভিন্ন কাৰ্যাৱলী সম্পৰ্কেও বিস্তৃত ব্যাখ্যা আগবঢ়ায়।

বৈঠকত কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তই মহানগৰীখনক ক'ভিড-১৯ প্ৰতিৰোধকল্পে এতিয়ালৈকে গ্ৰহণ কৰা সুৰক্ষামূলক ব্যৱস্থা ইত্যাদি সম্পৰ্কত মুখ্যমন্ত্ৰীক অৱগত কৰে। জিলা উপায়ুক্তগৰাকীয়ে কন্টেইনমেন্ট জ'নকে ধৰি শেহতীয়াকৈ লক্‌ডাউন ঘোষণা কৰা ১১টা ৱাৰ্ডত সামাজিক দূৰত্ব, ৰাজহুৱা স্থানত মাস্ক পৰিধান কৰা, ব্যক্তিগত যান-বাহনৰ চলাচল নিয়ন্ত্ৰণ ইত্যাদিৰ দিশত গ্ৰহণ কৰা ব্যৱস্থাৱাজিৰ বিশদ বিৱৰণ দাঙি ধৰে। ইয়াৰ লগতে সমগ্ৰ জিলাখনতে এই সংক্ৰমণৰ প্ৰতিৰোধকল্পে লোৱা ব্যৱস্থা সম্পৰ্কতো জিলা উপায়ুক্তগৰাকীয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে।

বৈঠকত স্বাস্থ্য বিভাগৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাই গুৱাহাটী মহানগৰীত শেহতীয়াকৈ ক'ভিড-১৯ সংক্ৰমণ দ্ৰুত হাৰত বৃদ্ধি পাইছে বুলি মুখ্যমন্ত্ৰীক অৱগত কৰে। তেওঁ লগতে কয় যে গুৱাহাটী মহানগৰীত পূৰ্বৰ ১২ টা টেষ্টিং চেন্টাৰৰ সংখ্যা বৃদ্ধি কৰি বৰ্তমান এই সংখ্যা ৩১ টা লৈ বৃদ্ধি কৰা হৈছে যাতে ব্যাপক হাৰত জনসাধাৰণৰ স্বাৱ টেষ্ট কৰিব পৰা যায়। স্বাস্থ্য বিভাগৰ সচিবগৰাকীয়ে ক'ভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে সমগ্ৰ ৰাজ্যখনতে লোৱা ব্যৱস্থাৱলী সম্পৰ্কেও মুখ্যমন্ত্ৰীক অৱগত কৰে।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক'ভিড-১৯ সংক্ৰমণৰ এই প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা

কৰাৰ বাবে আমি যুদ্ধকালীন পদক্ষেপ লৈ আহিছো আৰু ভৱিষ্যতেও ইয়াতকৈ আৰু অধিক পদক্ষেপ ল'ব লাগিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে জনসাধাৰণৰ স্বাস্থ্য সুৰক্ষিত কৰাৰ বাবে চৰকাৰ দায়বদ্ধ। বৈঠকত মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ স্বাস্থ্য সুৰক্ষিত কৰাৰ স্বাৰ্থত অতি শীঘ্ৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে যাতে এই ৰোগৰ সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিব নোৱাৰে। মুখ্যমন্ত্ৰীয়ে লগতে প্ৰতিখন জিলাতে যাতে স্বাস্থ্য বিভাগে জাৰি কৰা নীতি-নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন কৰা হয় সেই সম্পৰ্কেও ব্যৱস্থা লোৱাৰ বাবেও জিলা উপায়ুক্তসকলক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, মহানগৰ আৰক্ষী আয়ুক্ত মুন্না প্ৰসাদ গুপ্তা, অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া এছ মনিৱন্ননৰ লগতে উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ**
**২৫/০৬/২০২০**